জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১৩/২০২০

**বাঘজানৰ পৰিস্থিতিৰ বুজ লোৱাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীক ঘটনাস্থলীলৈ তাৎক্ষণিকভাৱে ৰাওনা হোৱাৰ নিৰ্দেশ দিলে মুখ্যমন্ত্ৰী সোণোৱালে**

# কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে ঘটনাৰ বিতং পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতেও ঘটনা সন্দৰ্ভত টেলিফোনযোগে কথা পাতিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৯ জুন ঃ** বাঘজানৰ গেছ নিৰ্গমনস্থলীত সংঘটিত অগ্নিকাণ্ডৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ সৈতে হোৱা কথা-বতৰাৰ পিছতে পৰিস্থিতিৰ চৰজমিন বুজ ল'বলৈ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীক তাৎক্ষণিকভাৱে বাঘজানলৈ ৰাওনা হোৱাৰ নিৰ্দেশ দিয়ে। তদুপৰি মুখ্যমন্ত্ৰীয়ে আজি আবেলি কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান,পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়া আৰু ছিংগাপুৰৰ পৰা অহা বিশেষজ্ঞসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে মত-বিনিময় কৰি পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে।

এই পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই অগ্নিকাণ্ডৰ ফলত সামগ্ৰিক পৰিৱেশ তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বসবাস কৰা জনসাধাৰণৰ ওপৰত পৰিব পৰা প্ৰভাৱৰ দিশত উদ্বিগ্নতা প্ৰকাশ কৰি এই অগ্নিনিৰ্বাপনৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা লোৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

ভিডিঅ' কনফাৰেন্সযোগে বাৰ্তালাপৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী সোণোৱালক কয় যে এই অগ্নিনিৰ্বাপনৰ বাবে সকলো প্ৰকাৰৰ ব্যৱস্থা তথা প্ৰযুক্তিগত পদক্ষেপ সন্মিলিতভাৱে লোৱা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে এই জৰুৰীকালীন সময়ৰ সৈতে মোকাবিলা কৰাৰ বাবে ভাৰতীয় বায়ু সেনা বাহিনীকো সাজু কৰি ৰখা হৈছে।

মুখ্যমন্ত্ৰীয়ে লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো টেলিফোনযোগে এই ঘটনা সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**০৯/০৬/২০২০**